# শিৰীষ ২০১৯ৰ প্ৰতিযোগিতাৰ নিয়ম-নীতি

১ ডিচেম্বৰ ২০১৮ৰ পৰা অংশগ্ৰহণৰ পত্ৰ বিতৰণ কৰা হ'ব আৰু লগতে নিৰ্ধাৰিত কেন্দ্ৰবোৰতো উপলব্ধ হব। সম্পূৰ্ণ কৰা পত্ৰ জমা দিয়াৰ তাৰিখ ১৫ জানুৱাৰী, ২০১৯ ।

১। এই প্ৰতিযোগিতাত যি কোনো আদিবাসী লোকনৃত্য পৰিৱেশন কৰিব পাৰিব (যেনে চাওঁতালি, উড়িয়া, মুণ্ডা, ঝুমুৰ ইত্যাদি।

২। নৃত্য পৰিৱেশন কৰিবলৈ প্ৰত্যেক দলক সৰ্বাধিক ১৫ মিনিট সময় দিয়া হ'ব। বিচাৰ সাজপাৰ (পৰম্পৰাগত), পৰিৱেশন, গীতমাত আৰু যন্ত্ৰসংগীতৰ ওপৰত ভিত্তি কৰা হ'ব। বিচাৰকসকলৰ সিদ্ধান্তই চূড়ান্ত সিদ্ধান্ত হ'ব।

৩। (প্ৰত্যেক মণ্ডলৰ) উপ-প্ৰতিযোগিতাৰ সৰ্বশ্ৰেষ্ঠ দলক, ১৭ ফেব্ৰুৱাৰী ২০১৯ত নাহৰণি (ৰঙাপাৰাত) হব লগা প্ৰধান প্ৰতিযোগিতামূলক অনুষ্ঠানত ভাগ লবলৈ নিমন্ত্ৰণ কৰা হ'ব আৰু তেওঁলোকৰ ব্যয়ভাৰ বহন কৰা হ'ব। প্ৰতিযোগিতাৰ মূল পুৰস্কাৰ ২০,০০০ টকা।

৪ । অংশ লোৱা প্ৰত্যেক দলত এজন দলীয় মেনেজাৰ আৰু অংশগ্ৰহণকাৰী (সৰ্বাধিক ২০ জন) থাকিব পাৰিব। প্ৰাৰম্ভিক পৰ্য্যায়ৰ প্ৰতিযোগিতাৰ বাবে প্ৰত্যেক দলক স্থানীয় যাতায়তৰ খৰচৰ বাবদ ৫,০০০/- টকা অনুদান দিয়া হ'ব।

৫। অংশগ্ৰহণ কৰিবলৈ নিৰ্বাচন কৰা প্ৰত্যেক দলে ৰাতিপুৱা ১০ বজাৰ ভিতৰত প্ৰতিযোগিতাৰ নিৰ্দিষ্ট স্থানত নাম পঞ্জীয়নৰ বাবে উপস্থিত হব লাগিব। প্ৰথম ১৫ টা দলে ৰিপোৰ্ট কৰাৰ পাছত নাম পঞ্জীয়ন বন্ধ কৰা হব।

৬। ১৭ফেব্ৰুৱাৰী ২০১৯ত নাহৰণি (ৰঙাপাৰাত) শিৰীষ ২০১৯ৰ চূড়ান্ত প্ৰতিযোগিতা উদ্‌যাপন কৰা হব। সৰ্বশ্ৰেষ্ঠ আৰু দ্বিতীয় শ্ৰেষ্ঠ দলে এটা ট্ৰফি আৰু যথাক্ৰমে ২৫,০০০/- আৰু ২০,০০০/- টকাৰ নগদ পুৰস্কাৰ লাভ কৰিব। প্ৰতিযোগিতাৰ সৰ্বশ্ৰেষ্ঠ গায়ক/গায়িকাই পুৰস্কাৰ লাভ কৰিব। বিচাকৰসকলৰ সিদ্ধান্ত চূড়ান্ত আৰু বাধ্যতামূলক হ'ব। প্ৰত্যেক উপ-অনুষ্ঠানৰ বিজেতাক নাহৰণিত হব লগা চূড়ান্ত প্ৰতিযোগিতালৈ নিমন্ত্ৰণ কৰা হ'ব- ওদালগুৰি / নগাওঁ/বোকাখাট/ডিব্ৰুগড়/তিনিচুকীয়াৰ পৰা ভ্ৰমণ কৰা আমন্ত্ৰিত অংশগ্ৰহণকাৰী দলক সাধাৰণ বাছ/ ৰেল ভাড়া (প্ৰত্যেক দলক সৰ্বাধিক ৬,০০০/- টকা) পৰিশোধ কৰা হব আৰু ১৫ ও ১৬ ফেব্ৰুৱাৰী ২০১৯ত নাহৰণি (ৰঙাপাৰাত) তেওঁলোকৰ থকা আৰু খোৱাৰ ব্যৱস্থা কৰা হব।

৭। দলসমূহে নিজৰ দায়িত্বত যাত্ৰা আৰু অংশ গ্ৰহণ কৰিব লাগিব।

স্থান অনুযায়ী মণ্ডল প্ৰতিযোগিতাৰ তাৰিখঃ

| | | |
|---|---|---|
| হাতীকুলি চাঃবাঃ | গোলাঘাট | ২৭/০১/২০১৯ |
| হাতীগড় চাঃবাঃ | ওদালগুৰি | ২৮/০১/২০১৯ |
| তিয়ক চাঃবাঃ | যোৰহাট | ০২/০২/২০১৯ |
| চাবুৱা চাঃবাঃ | ডিব্ৰুগড় | ০৩/০২/২০১৯ |
| নাহৰণি চাঃবাঃ | শোণিতপুৰ | ১৬/০২/২০১৯ |

১৭/০২/২০১৯ত অন্তিম প্ৰতিযোগিতাত উপনীত হোৱা প্ৰতিযোগীসকলৰ বাবে পূৰ্ণাংগ প্ৰতিযোগিতা- নাহৰণি (ৰঙাপাৰাত) হ'ব।